**বিদ্যালয়ৰ শিকন অগ্ৰগতিৰ বাবে অধ্যক্ষসকলৰ শিক্ষণতত্ত্বৰ নেতৃত্বৰ দক্ষতা বিকাশত গুৰুত্ব** (Importance of Capacity Building on Pedagogical Leadership of Principal for leading Learning in School)

**পৰশ গোস্বামী,**
**জিলা আচঁনি বিষয়া,(শিক্ষক প্ৰশিক্ষণ আৰু শিক্ষণতত্ত্ব )**
**সমগ্ৰ শিক্ষা,যোৰহাট**

**প্ৰস্তাৱনা ( Introduction ):**

বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত নেতৃত্বৰ গুৰুত্ব সম্পৰ্কে বিগত দশক জুৰি আগ্ৰহ প্ৰকাশ কৰি অহা হৈছে। আমি বুজিবলৈ সক্ষম হৈছো যে এই ক্ষেত্ৰখনত এজন নেতাই কৰিব পৰা সকলোতকৈ গুৰুত্বপূৰ্ণ কাৰ্যটো হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গুণগত শিক্ষাৰ পৰিৱেশৰ উত্তৰণ আৰু সমৰ্থন। ইয়াৰ বাবে প্ৰশাসনীয় নেতৃত্বৰ ওপৰি শিক্ষণতত্ত্বৰ নেতৃত্বৰ অতিকে প্ৰয়োজন।

শিক্ষণতত্ত্ব বুলি অভিহিত কৰিলে শিকন প্ৰক্ৰিয়া কেনেকৈ সংগঠিত হয় আৰু দৰ্শন আৰু অভ্যাস যি শিকনক বুজিবলৈ সামৰ্থবান কৰে ইয়াকে বুজোৱা হয়। গতিকে নিশ্চিতভাৱে ইয়াৰ যোগেদি শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াক অধ্যয়ন কৰা হয়। সাধাৰণতে কোনো দল বা ব্যক্তিক আগবঢ়ায় নিয়া বা বাট দেখুৱায় দিয়াকে নেতৃত্ব প্ৰদান বুলি অভিহিত কৰা হয়। আমি যদি এই দুয়োটা তত্ত্বকে সংযোগ কৰো তেন্তে শিক্ষণতত্ত্বৰ নেতৃত্ব মানে শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াৰ অধ্যয়নৰ বাবে আগবঢ়ায় নিয়া বা বাট দেখুৱায় দিয়াকে বুলি ধাৰণা কৰিব পাৰোঁ।

**২.শিকনৰ উদ্দেশ্য (Learning Objectives) :**

এই পাঠ সম্পূৰ্ণ হ'লে আপোনালোকে জানিবলৈ সক্ষম হ'বঃ

ক) বিদ্যালয়ৰ নেতৃত্বৰ ধাৰণা (Concept of School leadership )

খ) শিক্ষণতত্ত্বৰ নেতৃত্ব সম্পৰ্কে বুজি পোৱা। (Understanding pedagogical leadership )

**৩. ব্যাৱহাৰিক মূল শব্দ** (**Key word):**

শিক্ষণতত্ত্ব, কল্পদৃষ্টি , লক্ষ্য , প্ৰতিফলন, বৃত্তিগত উন্নতি

(Pedagogy, Vision, SMART Goal, Reflection, Professional development )

**৪. গোট** ) **১ ( Unit** 1)

| | |
|---|---|
| বিদ্যালয়ৰ নেতৃত্বৰ ধাৰণা (Concept of School leadership ) | ৬০ মিনিট |
| ছাত্ৰ ছাত্ৰীৰ শিকনত বিদ্যালয়ৰ নেতৃত্বৰ প্ৰভাৱ। (Effective School Leadership on student learning ) | ৪৫ মিনিট |

**১ম বৈঠক(Session 1)**

**বিদ্যালয়ৰ নেতৃত্বৰ ধাৰণা** (Concept of School leadership )

ক) কল্পদৃষ্টিসম্পন্ন নেতৃত্বৰ অভিধা আৰু ধাৰণা। (Define and understand visionary leadership )

খ) প্ৰত্যাহ্বান সমূহৰ চিনাক্তকৰণ আৰু কল্পদৃষ্টি সম্পন্ন নেতৃত্বৰ মূল নীতি (Recognize the challenges and principles of Visionary Leadership )

গ) বিদ্যালয়ৰ নেতৃত্বৰ চাৰি প্ৰকাৰৰ মূল কাৰ্যাৱলী (Four type of core functions of School leadership )

ঘ) বিদ্যালয়ৰ নেতৃত্বৰ চাৰি প্ৰকাৰৰ প্ৰক্ৰিয়া ( Four type of school leadership process)

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক ২১শতিকাৰ নাগৰিক ৰূপে গঢ় দিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ বাবে বিদ্যালয়সমূহে নিজকে ভালকৈ প্ৰস্তুত কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মক আগবাঢ়ি যোৱাত প্ৰভাৱিত কৰিব লাগিব। গতিকে, ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ লক্ষ্য হল বিদ্যালয় প্ৰধান সকলৰ মাজত নেতৃত্বৰ গুণৰাশিৰ বিকাশৰ যোগেদি বিদ্যালয়ৰ গুণগত মানৰ সামগ্ৰিক উত্তৰণৰ প্ৰক্ৰিয়াৰে বিদ্যালয়সমূহ শিকন, প্ৰদৰ্শন,আৰু সৰ্বাংগীন বিকাশৰ দিশত সক্ৰিয় একাত্ম অনুষ্ঠান ৰূপে গঢ় দিয়া। বিদ্যালয়ৰ নেতৃত্বই বিদ্যালয়ৰ সংস্কৃতি,শিক্ষণ-শিকন, সমাজত বিদ্যালয় খনৰ স্থান, শিক্ষকসকলৰ মাজত বৰ্তি থকা সম্পৰ্কৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰে। বিদ্যালয়ৰ নেতৃত্বই বিদ্যালয়ৰ সহযোগাত্মক কল্পদৃষ্টি আৰু লক্ষ্য , বিদ্যালয়ৰ শিক্ষকসকলৰ বৃত্তিগত উন্নয়ন দিশ নিৰ্ধাৰণ ,শিকনৰ সংস্কৃতি সাধন, ছাত্ৰ ছাত্ৰীৰ চৰিত্ৰ গঠন আৰু অৰ্হতা লাভৰ ক্ষেত্ৰখন নিৰ্মান কৰে।

**পৰিস্থিতি অধ্যয়ন-১( Case Study 1).**

জংঘল ব্লক উচ্চ মাধ্যমিক বিদ্যালয়খন যোৰহাট জিলাৰ মৰিয়নি অঞ্চলৰ ভিতৰুৱা আৰু নগালেণ্ডৰ পাদদেশত অৱস্থিত। এই অঞ্চলটোৰ মূলত চাহ শ্ৰমিক আধ্যুসিত । আমি যেতিয়া বিদ্যালয়ৰ চৌহদত প্ৰৱেশ কৰিছিলোঁ এদল কিশোৰ ছাত্ৰ-ছাত্ৰীয়ে আমাক আদৰণি জনালে। বিদ্যালয়খনলৈ আমি আগতীয়াকৈ কোনো সম্ভেদ দি যোৱা নাছিলোঁ আৰু কিশোৰ ছাত্ৰ-ছাত্ৰীসকলৰ দলটোৱে মোক আচৰিত কৰি তুলিলে। প্ৰধান শিক্ষকে আমাক সংক্ষেপে জনালে যে যেতিয়া কোনো ব্যক্তি বাহিৰৰ পৰা বিদ্যালয় লৈ আহে তেতিয়া আমাৰ এই অভ্যৰ্থনাকাৰী দলটোৱে ফুলেৰে তেখেতসকলক আদৰণি জনাই আৰু তেওঁলোকে তেওঁলোকৰ দায়িত্ব সম্পৰ্কে বুজি পায়। ইয়াৰ উপৰি বিদ্যালয়ত একোটাকৈ চাফ চিকুনতা, সাংস্কৃতিক,খেলাধূলা, বিদ্যালয়ৰ সৌন্দৰ্যবৰ্ধন, পুথিভঁৰালৰ বাবে পৃথক দল আছে আৰু বিদ্যালয়ৰ ছাত্ৰ সংসদে বিভিন্ন দলসমূহৰ সন্দৰ্ভত চকু ৰাখি, দায়িত্বৰ সালসলনি আৰু কৰ্মসূচীৰ ৰদবদল কৰে ।

বিদ্যালয়খনে শিক্ষক, অভিভাৱক আৰু ৰাইজৰ সহযোগত বিভিন্ন উদ্ভাৱনীমূলক কাৰ্য ব্যৱস্থা হাতত লৈ আহিছে। আমি সকলোৱে জানো যে পলিথিনৰ বেগ আৰু প্লাষ্টিকৰ বটল পৃথিৱী খনৰ বাবে বৰ বিপদজনক কিয়নো ই জহি পমি নাযায়। গতিকে কি কৰিব পৰা যাব ?

সমাধান হৈছে হ্রাস, নবীকৰণ আৰু পুনৰ ব্যবহাৰ। এই ক্ষেত্রত জংঘল ব্লক উচ্চ মাধ্যমিক বিদ্যালয়খনে বিশেষ উদ্যোগ গ্রহণ কৰা দেখা গৈছে ।

বিদ্যালয়খনৰ বিজ্ঞানৰ শিক্ষকজনে এদিন শ্রেণীকোঠাত নৱম মানৰ ছাত্র-ছাত্রী সকলক সুধিছিল তেওঁলোকে পলিথিনবোৰ কি কৰে ।ইয়াৰ উত্তৰত ছাত্র-ছাত্রীসকলে জনালে যে তেওঁলোকে পলিথিনবোৰ পুৰি পেলাই যিটো পৰিৱেশৰ বাবে অনুকূল নহয়। ইয়াৰ বাবে শিক্ষকসকলে পৰিকল্পনা কৰিলে। ছাত্র-ছাত্রী সকলক পেলনীয়া পলিথিনৰ পৰা নতুন সামগ্রী, যেনে ঘৰ সজোৱা সামগ্রী প্রস্তুত কৰিবলৈ প্রশিক্ষণ প্রদান কৰা হয়। কেৱল মাত্র পলিথিনেই নহয়, প্লাষ্টিকৰ বটলও দৃষ্টিনন্দন ভাৱে সজাই তোলাৰ বাবেও প্রশিক্ষণ প্রদান কৰা হয়। সমগ্র প্রচেষ্টাটোৱে কেৱল ছাত্র-ছাত্রীসকলৰ ওপৰতে নহয় চৌপাশৰ সমাজতো গভীৰ প্রভাৱ পেলালে। সৰ্বসাধাৰণ ৰাইজ পলিথিন জ্বলাই দিলে বা অসাৱধানতাৰে যতে-টতে পেলাই দিলে হোৱা বিষক্রিয়াৰ বিষয়ে সজাগ হ'ল ।এনে ধৰণৰ ক্রিয়া-কলাপৰ যোগেদি আমি ধৰিত্রীৰ প্রতি দায়বদ্ধ প্রজন্ম এটা গঢ়ি তুলিব পাৰিম।

২০১৮ চনৰ পৰা প্রতি বছৰে ১ জানুৱাৰীত বিদ্যালয়খনে বিদ্যালয়ৰ পুথিভঁৰালৰ বাবে গ্রন্থ সংগ্রহৰ শোভাযাত্রা আয়োজন কৰে। বিদ্যালয়খনৰ গ্রন্থ সংগ্রহৰ এই প্রচেষ্টাই পঢ়াৰ অভ্যাস গঠনত উদগণি যোগাই অঞ্চলটোত শিকনৰ এক আন্দোলনৰ সূচনা কৰিছে ।গতিকে ২০১৯চনৰ পৰা এই প্ৰকল্পটো পৰিচালনা কৰিবলৈ এখন সুকীয়া সমিতি গঠন কৰা হয়। বিদ্যালয়খনে ছাত্র-ছাত্রীসকলৰ লগতে অভিভাৱকসকলৰ মাজতো পঢ়াৰ পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। বিদ্যালয়ৰ নেতৃত্বই ৰাইজৰ পঢ়াৰ প্রতি ইতিবাচক ধাউতিৰ বাবে বিদ্যালয়খনৰ পুথিভঁৰালটো ৰাইজৰ পুথিভঁৰাললৈ ৰূপান্তৰ কৰিছে।

**পৰিস্থিতি অধ্যয়ন-২ (Case Study 2 )**

শ্ৰীযুত কুশল কুমাৰ পাচনি, মালৌখাত উচ্চতৰ মাধ্যমিক বিদ্যালয় ,যোৰহাট অসমৰ অধ্যক্ষ ।অধ্যক্ষ হিচাপে তেওঁ লক্ষ্য কৰিলে যে বিদ্যালয়খনৰ বুজন সংখ্যক ছাত্রী নৱম শ্রেণীৰ শৈক্ষিক বৰ্ষৰ কেইমাহ মান যোৱাৰ পাছতে বিদ্যালয়লৈ অহাটো বাদ দিয়ে। কিছু অংশই দশম শ্রেণীৰ আধাতে বিদ্যালয় এৰি দিয়ে। আকৌ একাংশ ছাত্রী শৈক্ষিক দিশত আগৰণুৱা হোৱাৰ পাছটো হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ নহয়। তেখেতে বিদ্যালয়ৰ শিক্ষক আৰু বিদ্যালয় পৰিচালনা তথা উন্নয়ন সমিতিৰ লগত ছাত্রীসকলে অকালতে বিদ্যালয় ত্যাগ কৰাৰ সম্ভাৱ্য কাৰণ সম্পৰ্কে আলোচনা কৰে। ছাত্রীসকলৰ অভিভাৱকসকলে ছাত্রীসকলক ১৫ বছৰৰ ভিতৰতে বিয়া দি আজৰি হ'ব খোজে । অধ্যক্ষ গৰাকীয়ে যেতিয়া ছাত্রীসকল বিদ্যালয়লৈ নহা হয় তেতিয়ালৈকে ছাত্রী গৰাকীৰ বিয়াৰ একো শুং-শুত্র নাপায়। বিশেষকৈ, দশম মানৰ পঢ়াশুনাত ভাল ছাত্রী সকলক লৈ তেখেত ব্যথিত হয়। বিয়াৰ পাছটো পঢ়াশুনা চলাই যোৱা ছাত্রী সকলো কেই সপ্তাহ মান অহাৰ পাছত সমনীয়াৰ পৰা পূৰ্বৰ ব্যৱহাৰ নোপোৱাৰ বাবে বিদ্যালয় ত্যাগ কৰে। এই ছাত্রীসকলে বিদ্যালয় বিভিন্ন খেলা ধূলা আৰু অন্যান্য সহ-পাঠ্যক্রমিক বিষয়বোৰৰ পৰাও নিজক আঁতৰাই ৰাখে। এই পৰিৱেশ ক'ভীড মহামাৰীৰ প্রাদুর্ভাবৰ সময়ত অধিক বেয়াৰ ফালে ঢাল খায়। তেখেতৰ বাল্য বিবাহৰ বিৰোধিতাৰ এই প্রচেষ্টাৰ বিপৰীতে অভিভাৱক সকলৰ ফালৰ পৰা পোৱা বাধাও চিন্তাৰ বিষয় আছিল।

তেখেতে অনুভৱ কৰিব পাৰিছিল যে সমস্যাটো শিপা কিমান গভীৰ। অধ্যক্ষ গৰাকীয়ে অকালতে বিদ্যালয় ত্যাগ ৰোধ আৰু দশম শ্ৰেণীৰ শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাটো নিশ্চিত কৰিবলৈ এলানি কাৰ্য ব্যৱস্থা হাতত লয়। তেখেতে প্ৰতি শ্ৰেণীৰে ছাত্ৰ-ছাত্ৰীৰ মাহেকীয়া উপস্থিতি পৰ্যৱেক্ষণ কৰিবলৈ ধৰিলে আৰু বিদ্যালয়ত অনিয়মীয়া সকলক বাছি উলিয়ালে। তেখেতে বিভিন্ন ক্ৰিয়া-কলাপৰ বাবে ষষ্ঠ শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ সকলো ছাত্ৰ ছাত্ৰীক লৈ মিশ্ৰিত দল গঠন কৰিলে আৰু দুজনকৈ শিক্ষকক তত্বাৱধানৰ দ্বায়িত্ব দিলে। তত্বাৱধায়ক শিক্ষকসকলে ছাত্ৰীসকলৰ উপস্থিতি , কন্যাকাল প্ৰাপ্তিৰ পাছত সন্মুখীন হোৱা সমস্যা নিয়মিতভাৱে পৰ্যৱেক্ষণ কৰে।যেতিয়াই তত্বাৱধায়ক শিক্ষকসকলে তেখেতক কোনো ছাত্ৰী বিদ্যালয়ত বিনা কাৰণত উপস্থিত নথকাৰ খবৰ দিয়ে তেতিয়াই তেওঁ তত্বাৱধায়ক শিক্ষকজনক লগত লৈ ছাত্ৰী গৰাকীৰ ঘৰত উপস্থিত হয়। তেওঁ অভিভাৱকসকলক দশম শ্ৰেণীলৈ ছাত্ৰীসকলক পঢ়াশুনা কৰাবলৈ সৈমান কৰায়। তেওঁ আনকি অভিভাৱকসকলক ছাত্ৰীসকলৰ বিয়াৰ পাছটো দশম শ্ৰেণীৰ পৰীক্ষা শেষ হোৱালৈকে ঘৰতে ৰাখিবলৈ অনুৰোধ কৰে।

তেখেতে বিদ্যালয়ৰ সকলো শিক্ষককে, যদি বিয়াৰ পাছটো বিদ্যালয়লৈ আহিলে সহায় কৰিবলৈ আৰু সহমৰ্মিতাৰে ব্যৱহাৰ কৰিবলৈ অনুৰোধ কৰে। তেওঁ সহপাঠী আৰু আন ছাত্ৰ-ছাত্ৰী সকলক তেওঁলোকক সহায় কৰিবলৈ আৰু কোনো ব্যক্তিগত বিষয় আলোচনা নকৰিবলৈ সকিয়নি দিয়ে । এইদৰে তেওঁ অভিভাৱকসকলক ছাত্ৰীসকলৰ বিয়াৰ পাছটো বিদ্যালয়লৈ পঠিয়াবলৈ পতিয়ন নিয়াবলৈ সক্ষম হয়।

ইয়াৰ সমান্তৰালভাৱে তেওঁ আন এক পদক্ষেপ গ্ৰহণ কৰে।তেওঁ ওচৰৰ প্ৰাথমিক বিদ্যালয়সমূহ ভ্ৰমন কৰি যুৱ মাতৃসকলক যদি বাল্য বিবাহৰ বাবে আধাতে বিদ্যালয় ত্যাগ কৰা সকলক পুনৰ পঢ়াশুনা আৰম্ভ কৰিবলৈ অনুপ্ৰাণিত কৰে । তেখেতে প্ৰায় বিদ্যালয়ত আয়োজন কৰা লগতে ৰাইজে অনুষ্ঠিত কৰা বিভিন্ন সভা সমিতি আৰু অনুষ্ঠানসমূহত দশম শ্ৰেণীৰ শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হলে কেনেদৰে লাভাৱান্বিত হ'ব পৰি তাৰ বিষয়ে অভিভাৱক আৰু ছাত্ৰীসকলক জনাই দিয়ে আৰু ইয়াৰ বেছিভাগ ছাত্ৰী পিছপৰা সম্প্ৰদায়ৰ ।

বিগত ২বছৰত পৰিস্থিতি লাহে লাহে পৰিবৰ্তন হ'বলৈ আৰম্ভ কৰিছে। বাল্য বিবাহৰ আৰু আধাতে বিদ্যালয় ত্যাগ লক্ষ্যনীয়ভাৱে হ্ৰাস পাইছে। শিক্ষকসকলেও সকলো ছোৱালীৰ শিক্ষা গাঁৱতো নিশ্চিত বুলি মানি লৈছে আৰু অধিক উদ্দমী হৈ পৰিছে ।অকল ছোৱালীসকলেই নহয় যুৱক সকলেও অধ্যক্ষক বিশ্বাসত ল'বলৈ আৰম্ভ কৰিছে।

https://fb.watch/jd6kndD1E4/

| কাৰ্যাৱলী | সময়সীমা | আশা কৰা ফলাফল |
|---|---|---|
| পৰিস্থিতি অধ্যয়নৰ পঠন | ২০ মিনিট | অংশগ্ৰহণকাৰী সকলে বিদ্যালয়ৰ প্ৰধান হিচাপে অভিজ্ঞতাৰ স্ব-বিশ্লেষণ কৰিব। |
| ইয়াৰ পাছত পৰিস্থিতি অধ্যয়নৰ ভিত্তিত স্ব-বিশ্লেষণ | ২৫ মিনিট | |

| | | |
|---|---|---|
| একত্ৰিকৰণ আৰু নিজৰ বিদ্যালয়ৰ প্ৰেক্ষাপটত শিক্ষা গ্ৰহণ | ১৫ মিনিট | |

**কেনেকৈ এই ক্ৰিয়া-কলাপটো পৰিচালনা কৰা হয়? (How to conduct the activity?)**

পদ্ধতিঃ অংশগ্ৰহণকাৰীসকলে জংঘল ব্লক উচ্চ মাধ্যমিক বিদ্যালয় আৰু মালৌখাত উচ্চতৰ

মাধ্যমিক বিদ্যালয়খন কাৰ্যাৱলী দলত অধ্যয়ন কৰি আলোচনা  কৰিব৷

**পৰামৰ্শমূলক পদক্ষেপ** ( Suggested Steps**):**

বিদ্যালয় নেতৃত্ব আৰু শিকনক আগবঢ়াই নিয়াৰ বাবে সহায়ক পৰিৱেশ ৰচনা কৰাত বিদ্যালয় নেতাৰ গুৰুত্বৰ বিষয়ে চমু আলোচনাৰ পাছত অংশ গ্ৰহণ কৰোঁতাই  সৰু সৰু দলত ভাগ হৈ আলোচনা কৰিব৷

**প্ৰতিফলিত প্ৰশ্ন** ( Reflective Question):

১.	বিদ্যালয় প্ৰধানৰ  যিকোনো তিনিতা নেতৃত্বৰ গুণ কি বুলি আপুনি ভাবে?

২.	বিদ্যালয়ৰ নেতৃত্ব বাবেও এই গুন প্ৰযোজ্য হয়নে ?

৩.	নিজৰ বিষয়ে আপুনি নতুন কিবা কথা জানিলে নেকি ?

**সাহায্যকাৰীসকললৈ টোকাঃ**(Note to the Facilitaor forv rurther)

যিহেতু এইটো আৰম্ভণি কাৰ্যসূচী সেয়ে প্ৰতিজন অংশগ্ৰহণকাৰীৰ প্ৰতিফলন জানিবলৈ বিচাৰিব৷ এইটো পৰামৰ্শ দিয়া হৈছে যে প্ৰতিজন অংশগ্ৰহণকাৰীক যাতে সুবিধা দিয়া হয়।

**বৈঠক ২:  ছাত্ৰ ছাত্ৰী সকলৰ শিকনত বিদ্যালয় নেতৃত্বৰ প্ৰভাৱ( Effective School Leadership on student learning )**

ক) বিভিন্ন প্ৰকাৰৰ প্ৰভাৱ (Different types of effect )
খ) শিকনৰ বাবে নেতৃত্ব  (Leadership for learning )

ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয়, এই দুই পৰ্যায়তে হোৱা শিক্ষা সম্পৰ্কীয় গৱেষণাই প্ৰমাণ কৰিছে যে বিদ্যালয় নেতৃত্ব আৰু গুণগত শিক্ষাৰ প্ৰক্ৰিয়া আৰু ফলাফলৰ মাজত প্ৰত্যক্ষ্ আৰু  পৰোক্ষ সম্বন্ধ আছে। বিভিন্ন গৱেষণাৰ ফলাফলে প্ৰতিষ্ঠা কৰিছে যে ছাত্ৰ ছাত্ৰীৰ শিকনত শ্ৰেণী কোঠাৰ প্ৰক্ৰিয়া আৰু শিক্ষণৰ পিছতে দ্বিতীয় স্থানত প্ৰভাৱ বিস্তাৰ কৰে বিদ্যালয়ৰ নেতৃত্বই।

| কাৰ্যাৱলী | সময় সীমা | আশা কৰা ফল |
|---|---|---|
| বিদ্যালয়ৰ প্ৰধানসকলৰ বহুমাত্ৰিক প্ৰভাৱসমূহ চিনাক্তকৰণ | ১৫ মিনিট | ছাত্ৰৰ শিকন উন্নীতকৰণত বিদ্যালয়ৰ প্ৰধানসকলৰ ভূমিকা |
| অংশগ্ৰহণ, প্ৰতিফলন | ১৫ মিনিট | |
| একত্ৰিকৰণ | ১৫ মিনিট | |

**কেনেকৈ এই ক্ৰিয়া-কলাপটো পৰিচালনা কৰা হয়? (**How to conduct the activity**?)**

এককভাৱে অনুশীলন আৰু দলত অধ্যয়ন কৰি আলোচনা কৰিব৷

**পৰামৰ্শমূলক পদক্ষেপ (**Suggested Steps**):**

ছাত্ৰ-ছাত্ৰীৰ শিকনত বিদ্যালয় নেতৃত্বৰ বিভিন্ন প্ৰভাৱ আৰু শিকনৰ বাবে নেতৃত্বৰ গুৰুত্বৰ বিষয়ে চমু আলোচনাৰ পাছত অংশগ্ৰহণ কৰোঁতা সকলক ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বাবে আকৰ্ষণীয় পৰিৱেশ ৰচনা বাবে ৫টা পদক্ষেপ লিখিবলৈ দিব।

**প্ৰতিফলিত প্ৰশ্ন (**Reflective Question):

ক) আপুনি কেনেকৈ ছাত্ৰ-ছাত্ৰীসকলক নেতৃত্ব দিব ?
খ) আপুনি নিৰ্দিষ্ট কি পদক্ষেপ গ্ৰহণ কৰিব ?

**গোট ২ (Unit** 2)

| | |
|---|---|
| শিক্ষণতত্ত্বৰ নেতৃত্ব সম্পৰ্কে বুজি পোৱা ।<br>( Understanding pedagogical leadership ) | ৬০ মিনিট |
| ছাত্ৰ ছাত্ৰীৰ শিকন নিশ্চিত কৰিবলৈ শিক্ষণতত্ত্বৰ লগত সংযোগ সাধন (Contextualizing Pedagogical Leadership for ensuring student learning ) | ৪৫ মিনিট |

**বৈঠক ১ শিক্ষণতত্ত্বৰ নেতৃত্ব সম্পৰ্কে বুজি পোৱা** (Understanding pedagogical leadership )

ৰাষ্ট্ৰীয় শিক্ষা নীতি 2020 ত অধ্যক্ষসকলৰ নেতৃত্ব আৰু নেতৃত্বৰ দায়িত্ব পুনৰ নিৰ্ধাৰণ কৰাত গুৰুত্ব প্ৰদান কৰা হৈছে। অধ্যক্ষ এজনে শিক্ষণতত্ত্বৰ নেতা ৰূপে শিক্ষক আৰু ছাত্ৰসকলক নেতৃত্ব দি , সহায় কৰি আৰু অনুপ্ৰাণিত কৰি বিদ্যালয় খনক শিকনৰ কেন্দ্ৰৰূপে বিকাশ সাধন কৰে।শিক্ষণতত্ ্ত্বৰ নেতা জনে প্ৰেৰণাৰ উৎসৰূপে কাম কৰে আৰু আভিৱোচক ৰূপে দলটোক সময়ে সময়ে শ্ৰেণীকোঠাত পাঠৰ আদান-প্ৰদানৰ লগতে সৃজনীশীল আৰু উদ্ভৱনিমুলক ব্যবস্থাৰে শিক্ষণতত্ত্বৰ প্ৰত্যাহ্বানবোৰৰ দায়িত্ব লবলৈ উৎসাহিত কৰে। শিক্ষণতত্ত্বৰ নেতাজনে আমাৰ কাম কৰাৰ পদ্ধতি আৰু অন্য প্ৰাপ্তবয়স্কৰ লগত

একেলগে শিকাৰ বিষয়ে পুনৰ বিবেচনা কৰিবলৈ জনা উচিত।আমি জানো বিকাশ আৰু উন্নয়নৰ বাবে সময়ৰ প্ৰায়োজন। শিশুসকলৰ দৰে প্ৰাপ্তবয়স্কসকলেও তেতিয়াহে ভালকৈ শিকে যেতিয়া তেওঁলোকে আগ্ৰহেৰে আৰু অন্তঃকৰণেৰে অংশগ্ৰহণ কৰে।শিক্ষণতত্্ত্বৰ নেতাজনে শিক্ষকজনৰ বাবে দৈনন্দিন ব্যৱহাৰ বাবে লাগতিয়াল গুণৰাশিৰ বিকাশ সাধন কৰে। এই গুণৰাশি যেনে উৎসুকতা,মুকলি মন , সহনশীলতা আৰু উদ্দেশ্যপূৰ্ণতা যি এটা সংস্কৃতি তৈয়াৰ কৰাত সহায় কৰে য'ত শিক্ষণত কম গুৰুত্ব প্ৰদান কৰা আৰু প্ৰাপ্তবয়স্ক আৰু শিশুসকলৰ শিকন প্ৰাপ্তিত সহায়ক হয়।

**কেনেকৈ এই ক্ৰিয়া-কলাপটো পৰিচালনা কৰা হয় ? (**How to conduct the activity?)

এককভাৱে অনুশীলন আৰু দলত অধ্যয়ন কৰি আলোচনা কৰিব।

**পৰামৰ্শমূলক পদক্ষেপ (Suggested Steps):**

ছাত্ৰ-ছাত্ৰীৰ শিকনত আৰু বিদ্যালয়ৰ উন্নয়নত শিক্ষণতত্ত্বৰ নেতৃত্বৰ বিভিন্ন উপাদানৰ প্ৰভাবৰ বিষয়ে চমু আলোচনাৰ পাছত অংশগ্ৰহণ কৰোঁতা সকলক নিজ নিজ বিদ্যালয়খন কেনেকৈ লক্ষ্য কৰিব ভাবিবলৈ দিব।

**বৈঠক ২ (Session: 2 ) ছাত্ৰ-ছাত্ৰীৰ শিকন নিশ্চিত কৰিবলৈ শিক্ষণতত্্তৰ লগত সংযোগ সাধন** (Contextualizing Pedagogical Leadership for ensuring student learning )

| কাৰ্যাৱলী | সময় সীমা | আশা কৰা ফল |
|---|---|---|
| দলত অধ্যয়ন | ১৫ মিনিট | ছাত্ৰ-ছাত্ৰীৰ শিকনত আৰু বিদ্যালয়ৰ উন্নয়নত শিক্ষণতত্ত্বৰ নেতৃত্বৰ বিভিন্ন উপাদানৰ প্ৰভাবৰ বিষয়ে বুজিব । |
| অংশগ্ৰহণ, প্ৰতিফলন | ১৫ মিনিট | |
| একত্ৰিকৰণ | ১৫ মিনিট | |

**কেনেকৈ এই ক্ৰিয়া-কলাপটো পৰিচালনা কৰা হয়?( How to conduct the activity?)**

এককভাৱে অনুশীলন আৰু দলত অধ্যয়ন কৰি আলোচনা কৰিব ।

**পৰামৰ্শমূলক পদক্ষেপ (Suggested Steps):**

ছাত্ৰ ছাত্ৰীৰ শিকনত আৰু বিদ্যালয়ৰ উন্নয়ন শিক্ষণতত্ত্বৰ নেতৃত্বৰ বিভিন্ন উপাদানৰ প্ৰভাবৰ বিষয়ে চমু আলোচনাৰ পাছত অংশ গ্ৰহণ কৰোঁতা সকলক নিজ নিজ বিদ্যালয়ৰ লক্ষ্য আৰু কেনেকৈ লক্ষ্য কৰিব ভাবিবলৈ দিব। বিদ্যালয় উন্নয়নৰ পৰিকল্পনা খন পুনৰ অধ্যয়ন কৰিব।

শিক্ষণতত্ত্বৰ নেতা জনে বিদ্যালয় উন্নয়ন আৰু ছাত্ৰ ছাত্ৰীৰ শিকনৰ এটা দিশ নিৰ্ধাৰণ কৰিবলৈ বিভিন্ন প্ৰশ্নৰ যোগেদি নিজৰ লগতে আনকো অনুপ্ৰাণিত কৰিব পাৰে। যেনে-

ক) অহা পাঁচ বছৰ বিদ্যালয়খন কেনেকুৱা ৰূপত চাব খোজোঁ ?

খ) ছাত্ৰ-ছাত্ৰী সকলৰ শিকনৰ ক্ষেত্ৰত অভিভাৱকসকলৰ লগত সম্পৰ্ক কেনেকৈ গভীৰ কৰিব পাৰোঁ ?

গ) বৈচিত্ৰ্য,সমতা, আৰু সমন্বিত ক্ষেত্ৰত কেনেকৈ গুৰুত্ব দি সন্মানসহকাৰে আগবঢ়াই আৰু উদযাপন কৰিব পাৰোঁ ?

**References:**


1. National Education Policy 2020
2. Resource Book -One Month Certificate Course in School Leadership and Management by NIEPA 2016
3. Pedagogical Leadership: A handbook for leading learning in Schools by NIEPA- 2020
4. Read part 1 of the handbook of concept of school leadership from page 13 to 18
5. Read part 1 of the handbook of concept of school leadership from page 19 to 21